অধ্যায় ৫ ঃ ভাৰতত উন্নয়নমূলক সংযোগ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ভাৰতত উন্নয়নমূলক সংযোগৰ প্ৰাসংগিকতা

৫.৩.১ গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ

৫.৩.২ নেৰ'কাষ্টিং

৫.৪ পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ

৫.৪.১ পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ

৫.৪.২ মূল উদ্দেশ্য

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত উন্নয়নমূলক সংযোগৰ প্ৰসংগ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- ভাৰতত পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

আমি জানো যে ভাৰতবৰ্ষ হৈছে এখন উন্নয়নশীল দেশ আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যা, কৃষি আৰু উদ্যোগকে ধৰি আধুনিক জীৱন শৈলীৰ প্ৰতিটো ক্ষেত্ৰতে দেশখনে লেখত ল'বলগীয়া উন্নতি কৰিছে আৰু এনে এখন উন্নয়নশীল দেশত উন্নয়নমূলক সংযোগ হৈছে এক অতি গুৰুত্বপূৰ্ণ আহিলা।

পূৰ্বৰ অধ্যায়টিত আমি ইতিমধ্যে উন্নয়নৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিছো। এই অধ্যায়টিত আমাৰ জীৱনত উন্নয়নৰ প্ৰাসংগিকতা তথা গুৰুত্ব সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশখনত ইয়াক কেনেদৰে কাৰ্যকৰী কৰা হৈছে সেই বিষয়ে বিশদভাৱে জনাবলৈ বিচাৰিছো।

৫.৩ গৱেষণাৰ অৰ্থ

ভাৰতৰ জনসংখ্যা চীনৰ পাছতেই দ্বিতীয় স্থানত হোৱা বাবে আৰু ই উন্নয়নশীল প্ৰকৃতিৰ হোৱাত ভাৰতীয় প্ৰেক্ষাপটত উন্নয়নমূলক সংযোগ অতি গুৰুত্বপূৰ্ণ। আমাৰ দেশত মানৱ তথা

প্ৰাকৃতিক সম্পদকে ধৰি এক বৃহৎ পৰিমাণৰ সম্পদৰাজি মজুত হৈ আছে। কিন্তু এনে পৰিস্থিতি থকা সত্ত্বেও দেশৰ জনগণৰ যি উন্নয়ন কাম্য আছিল। সেয়া হৈ উঠা নাই।

১৯৪৭ চনত স্বাধীনতা লাভ কৰাৰ পাছত আমি দেশখনৰ ৰাজ্যসমূহৰ মাজত সম্পদৰ বিতৰণ আৰু সীমিত সম্পদৰ জৰিয়তে দেশৰ ভিতৰুৱা অঞ্চলসমূহৰ উন্নতি সাধনৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। চৰকাৰৰ আঁচনিসমূহ বৃদ্ধি পোৱাৰ সমানুপাতিকভাৱে দেশখনৰ জনসংখ্যাও বৃদ্ধি হৈছে। ইয়াৰ দ্বাৰা উন্নয়নমূলক কাৰ্যসূচীসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পৰাটো পৰিলক্ষিত হৈছে।

এইখিনিতে উল্লেখযোগ্য যে যদিও আমাৰ জীৱন ধাৰণৰ মান সম্পূৰ্ণৰূপে উন্নত হোৱা নাই, তথাপিতো কিন্তু ভাৰতবৰ্ষত বিজ্ঞান-প্ৰযুক্তিবিদ্যাত প্ৰশিক্ষিত এক বৃহৎ সংখ্যক মানৱ সম্পদ আছে। সেইবাবে ভাৰতীয় প্ৰেক্ষাপটত উন্নয়নমূলক সংযোগৰ গুৰুত্ব অতিকৈ প্ৰাসংগিক আৰু ক্ৰমে এই প্ৰাসংগিকতা বৃদ্ধি পাবলৈ ধৰিলে।

আমি জানো যে দুশ বছৰতকৈও অধিক কাল জুৰি ভাৰতবৰ্ষত থকা ঔপনিৱেশিক শাসনে ভাৰতৰ উন্নয়নত যথেষ্ট বাধা আৰোপ কৰিলে আৰু ই অতি নিম্নস্তৰৰ হৈ থাকিল, কিয়নো শোষণ অতি বেছি আছিল। সেয়েহে স্বাধীনোত্তৰ কালতো দেশখনৰ চৰকাৰৰ সন্মুখত বহুতো প্ৰত্যাহ্বানে দেখা দিলে। এইসমূহ হ'ল— নিম্নস্তৰৰ স্বাক্ষৰতা, উদ্যোগৰ কাঠামোৰ অভাৱ ইত্যাদি।

এই খণ্ডটিৰ প্ৰথম অধ্যায়টিত আমি ইতিমধ্যে আলোচনা কৰিছো যে আমাৰ দেশখনৰ এক বৃহৎ জনসংখ্যা বহুতো কাৰণত স্বাক্ষৰ হ'ব পৰা নাই আৰু সুবিধাসমূহ লাভ কৰা নাই। সেয়েহে বৰ্তমান সময়ত এই অভাৱগ্ৰস্ত চামক স্বাক্ষৰ আৰু উন্নতসকলৰ লগত সমানে আগুৱাই নিবলৈ উন্নয়নমূলক সংযোগৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। আনহাতে এই নিম্নস্তৰ লোকসকলে অতি কম বয়সতে অভাৱগ্ৰস্ত হৈ জীৱন নিৰ্বাহৰ বাট বিচাৰি ফুৰাৰ বাবে ভৱিষ্যতেও এক আনুষ্ঠানিক শিক্ষাগ্ৰহণৰ বাট তেওঁলোকৰ বাবে মুকলি হৈ থকা নাই। এই সকলোবোৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উন্নয়নমূলক সংযোগক দেশখনৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়ন সাধনৰ বাবে অতিকৈ প্ৰয়োজনীয় দিশ বুলি অভিহিত কৰিব পাৰি।

এতিয়া উন্নয়নমূলক সংযোগৰ বিষয়ে আলোচনা কৰোতে আমি দুটা গুৰুত্বপূৰ্ণ বিষয়বস্তুৰ সন্মুখীন হওঁ— গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ আৰু নেৰ'কাষ্টিং (Narrowcasting)। এই দুটি বিষয় সন্দৰ্ভত আমি এতিয়া আলোচনা কৰিম কিয়নো এই বিষয়বস্তু দুটিৰ জ্ঞানে আপোনাক উন্নয়নমূলক সংযোগৰ বিভিন্ন দিশসমূহ বুজিবলৈ সহায় কৰিব।

৫.৩.১ গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ

আমাৰ দেশখন বিশ্বৰ সৰ্ববৃহৎ কাৰ্যকৰী গণতন্ত্ৰ হোৱাৰ লগতে জনসংখ্যাত বিশ্বৰ ভিতৰতে দ্বিতীয় স্থানত আছে। দিল্লীত অধিষ্ঠিত কেন্দ্ৰীয় চৰকাৰৰ মূল দায়িত্ব হৈছে জনগণৰ উন্নয়নৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰে। কিয়নো ৰাইজৰ আৰ্থ-সামাজিক

বিকাশে এখন ৰাষ্ট্ৰৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নকে সূচায়। চৰকাৰৰ লক্ষ্যসমূহ লাভ কৰাৰ উদ্দেশ্যে পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ সূচনা কৰা হয় আৰু বৰ্তমান সময়তো দেশখনৰ বহনক্ষম আৰু ভাৰসাম্যযুক্ত উন্নয়নৰ বাবে এই পৰিকল্পনাসমূহ প্ৰণয়ন কৰি থকা হৈছে।

আৰম্ভণিতে শীৰ্ষৰ পৰা তললৈ (Top-Down Model)– এই আৰ্হিত উন্নয়নৰ পৰিকল্পনা আৰু লক্ষ্যসমূহ নিৰ্ধাৰণ কৰা হৈছিল। এই আৰ্হি অনুসৰি ভাৰতবৰ্ষৰ ৰাজধানী দিল্লীত উন্নয়নমূলক পৰিকল্পনাৰ আৰ্হি নিৰ্ধাৰণ কৰা হৈছিল। এই আৰ্হিৰ ব্যৱস্থাত তৃণমূল পৰ্যায়ৰ লোকসকলক অংশগ্ৰহণৰ কাৰণে বেছি উৎসাহিত কৰা হোৱা নাছিল।

নিৰক্ষৰ আৰু পিছপৰা লোকসকলে নিজাকৈ উন্নয়নৰ দিশসমূহ বাছি ল'ব নোৱাৰিব বুলি বিশ্বাস কৰা হৈছিল। সেয়েহে তেওঁলোকক নিৰ্দিষ্ট লক্ষ্য তথা উদ্দেশ্যসমূহলৈ আগুৱাই নিবৰ বাবে এক সুপৰিকল্পিত আঁচনিৰ প্ৰয়োজন হ'ব বুলি ভবা হৈছিল।

এই কাৰণসমূহৰ পৰিপ্ৰেক্ষিততে তৃণমূল পৰ্যায়ৰ লোকসকলৰ যাতে নিজাকৈ উন্নতি হ'ব পাৰে তাৰে ব্যৱস্থা কৰিবলৈ 'গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ' প্ৰক্ৰিয়াৰ দ্বাৰা কিছু বছৰৰ পৰাই উদ্দেশ্যমূলক অথচ সাধাৰণ আঁচনি প্ৰবৰ্তন কৰি থকা হৈছে। এই ব্যৱস্থাৰ বহুতো সুবিধা আছে, যেনে—

- কোনো এখন ঠাইত বাস কৰা লোকসকলেহে সেই ঠাইখনৰ উন্নতি কেনেদৰে কৰাটো সম্ভৱ সেই বিষয়ে আটাইতকৈ সুচাৰুৰূপে নিৰ্ণয় কৰিব পাৰে। লগতে উন্নয়নমূলক আঁচনিসমূহ কেনেদৰে আগবঢ়াব পাৰি, কোনবোৰ দিশত অধিক গুৰুত্ব দিয়াটো প্ৰয়োজন এই সকলোবোৰ নিৰ্দিষ্ট কৰিব পাৰে। এই কাৰণতে 'স্থানীয় স্বায়ত্ত শাসন' ব্যৱস্থা প্ৰবৰ্তন কৰা হয়।
- এই ব্যৱস্থা মূলতঃ এই ধাৰণাৰেই আৰম্ভ কৰা হৈছিল যে কোনো অঞ্চলৰ বাসিন্দাসকলে সেই অঞ্চলটোৰ প্ৰয়োজন, আঁচনি প্ৰবৰ্তন ইত্যাদি বিষয়ে সৰ্ব্বোৎকৃষ্ট মতামত দিয়াৰ লগতে সমূহীয়াভাৱে কামৰ দায়িত্ব গ্ৰহণ কৰিব পাৰে।

আনহাতে ইয়াৰ বিপৰীতে এক কেন্দ্ৰীভূত আঁচনিৰ মাজত থকা অসুবিধাসমূহ হ'ব এনে ধৰণৰ—

- দেশৰ বা ৰাজ্যৰ ৰাজধানীত বহি আঁচনি প্ৰস্তুত কৰা বিশেষজ্ঞসকলৰ দূৰ-দূৰণিৰ ঠাইসমূহৰ অভাৱ-অভিযোগৰ সংক্ৰান্তত থকা ধাৰণাৰ অভাৱ।
- যেনেকৈ প্ৰতিজন ব্যক্তিৰে সমস্যা আৰু প্ৰয়োজন বেলেগ বেলেগ ধৰণৰ, ঠিক তেনেকৈ প্ৰতিখন ঠাইতে সমস্যা আৰু প্ৰয়োজন পৃথক ধৰণৰ হয়। সেয়েহে স্থানীয় পৰ্যায়ৰ সকলো বিভেদ পৰ্যালোচনা নকৰাকৈ প্ৰস্তুত কৰা একেধৰণৰ আঁচনিয়ে দেশখনৰ প্ৰতিখন ঠাইৰ বাবে প্ৰযোজ্য নহ'ব পাৰে।

এই সকলোবোৰ কাৰণতে ভালেমান বছৰ ধৰি গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ

ধাৰণাই বিকাশ লাভ কৰিছে আৰু সকলোৰে বাবে অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

৫.৩.২ নেৰ'কাষ্টিং

নেৰ'কাষ্টিং হৈছে তুলনামূলকভাৱে এক নতুন ধাৰণা আৰু আমাৰ দেশকে ধৰি বিশ্বৰ প্ৰায়বোৰ দেশতে ই প্ৰচলিত হৈ পৰিছে। আমি নেৰ'কাষ্টিং ব্যৱস্থাক গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ সৈতে তুলনা কৰিব পাৰো, কিয়নো দুয়োটা ধাৰণাৰ মাজত নিৰ্দিষ্ট উদ্দেশ্যকে ধৰি আন বহুতো সামঞ্জস্য থকা দেখা যায়।

এই বিষয়ে কৰা কিছু আলোচনাই আপোনাক নিশ্চয় ভাৰতীয় প্ৰেক্ষাপটত উন্নয়নমূলক সংযোগৰ প্ৰাসংগিকতা সম্পৰ্কে বুজিবলৈ সহায় কৰিব। অৱশ্যে নেৰ'কাষ্টিঙৰো এই ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আছে। এই ধাৰণাৰ বিষয়ে পঢ়িলেহে আপুনি ইয়াৰ গুৰুত্ব সম্পৰ্কে বুজিব পাৰিব।

প্ৰথমতে ব্ৰডকাষ্টিং বা সম্প্ৰচাৰৰ বিষয়ে অলপ আলোচনা কৰো আহক। ব্ৰডকাষ্টিঙৰ আনুষ্ঠানিক অৰ্থ হৈছে অধিক সংখ্যক মানুহলৈ ইলেক্ট্ৰনিক তৰংগৰ জৰিয়তে তথ্য যোগান ধৰা। অৰ্থাৎ ইলেক্ট্ৰনিক মাধ্যমৰ নেটৱৰ্কটো যিমানদূৰ সম্ভৱ সিমান বেছিসংখ্যক লোকৰ ওচৰলৈ লৈ যোৱা।

গণ সংযোগৰ আৰম্ভণিৰ সময়ত অধিক মানুহক ইয়াৰ জৰিয়তে লাভান্বিত কৰাটোৱেই আছিল ইয়াৰ মূল উদ্দেশ্য, কিয়নো তেতিয়াৰ যুগত গণ সংযোগ এক জটিল আৰু কষ্টসাধ্য বিষয় আছিল। ক্ৰমান্বয়ে আধুনিকতাৰ পৰশে গণ সংযোগৰ মূল উদ্দেশ্য পৰিবৰ্তন কৰিলে আৰু বৰ্তমান পৃথিৰীৰ প্ৰতিটো অঞ্চলক কম খৰচ আৰু কম কষ্টৰে সামৰিব পৰাটোৱেই হৈছে গণ সংযোগৰ প্ৰধান উদ্দেশ্য।

অৱশ্যে এই ব্যৱস্থা কিছুমান ঋণাত্মক দিশ আছে। এই কাৰ্যসূচীসমূহ যিহেতু সকলো শ্ৰেণীৰ দৰ্শক/শ্ৰোতাৰ বাবে প্ৰচাৰ কৰা হয়, সেয়েহে সকলোবোৰ দৰ্শক/শ্ৰোতাই সেই কাৰ্যসূচীসমূহ ভাল নাপাবও পাৰে আৰু অন্য অনুষ্ঠান চাবলৈ বিচাৰিব পাৰে। গতিকে অধিকসংখ্যক লোকক সামৰি লোৱাৰ স্বাৰ্থত কিছুমান সৰু জনগোষ্ঠী বা দল, যাক উদ্দেশ্য কৰি অনুষ্ঠানটো নিৰ্মাণ কৰা হয়, তেওঁলোকক কিছুক্ষেত্ৰত অৱহেলা কৰিবলগীয়া হয়। উল্লেখযোগ্য যে এই জনগোষ্ঠীসমূহ কোনো জাতি, জনজাতি ইত্যাদিৰ ওপৰত আধাৰিত নহয়। এইসমূহ হৈছে কোনো বিশেষ কাৰণবশতঃ একত্ৰিত হোৱা লোক, যেনে— পৰিৱেশ সংৰক্ষণৰ বাবে প্ৰচেষ্টা চলোৱা লোক, শাৰীৰিক বা মানসিকভাৱে অক্ষম লোকসকলৰ বাবে বা কোনো আৰ্থ-সামাজিক সমস্যাৰ বাবে যুঁজ কৰা লোক ইত্যাদি।

সমস্যাৰ সৃষ্টি হোৱাৰ কাৰণ হৈছে যে বৰ্তমান এই জনগোষ্ঠীসমূহৰ প্ৰত্যেকেই নিজৰ অস্তিত্বক লৈ যথেষ্ট সজাগ আৰু তেওঁলোকে নিজৰ উপস্থিতি সদায় অনুভৱ হোৱাটো বিচাৰে। অৰ্থাৎ তেওঁলোকে নিজৰ বিষয়ে, নিজৰ কাম-কাজ, সংস্কৃতি ইত্যাদিৰ

বিষয়ে সকলোকে জনাব বিচাৰে। সেয়েহে তেওঁলোকে নিজৰ প্ৰতি হোৱা সংবাদ মাধ্যমৰ অৱহেলাৰ বিষয়ে অধিক খোলাকৈ কয়। সংবাদ প্ৰতিষ্ঠানসমূহে সেয়েহে এই দল-সংগঠনসমূহক নিৰ্দিষ্ট, 'অনুষ্ঠান প্ৰচাৰৰ সময়' (Air Time) বা কাকতত নিৰ্দিষ্ট 'প্ৰকাশনৰ ঠাই' দিবলৈ বাধ্য হয়।

এটা উদাহৰণ লওঁ আহক। আমি জানো যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত শতাধিক জনগোষ্ঠী আৰু জনজাতি আছে। এই সকলোবোৰৰে নিজস্ব সংস্কৃতি, ভাষা তথা জীৱন-ধাৰণ প্ৰণালী আছে। এতিয়া কিছুসংখ্যক টেলিভিছন বা ৰেডিঅ' চেনেল অথবা সীমিত সংখ্যক বাতৰিকাকতে এই সকলোবোৰ জাতি-জনজাতিৰ পৰিচয় দাঙি ধৰিবলৈ যথেষ্ট বুলি আপুনি বিশ্বাস কৰেনে? যদি দিনটোৰ ২৪ ঘণ্টাই অনুষ্ঠান প্ৰচাৰ কৰা হয়, তথাপিও সেয়া ইমানবোৰ জনগোষ্ঠীৰ বাবে যথেষ্ট নহয়। ইয়াৰ প্ৰতিকাৰ কি হ'ব পাৰে বাৰু? তলত উল্লিখিত ঘটনাসমূহলৈ মন কৰক—

আকাশবাণীৰ গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰই ৰাজ্যখনৰ দুটা ভাগত অনুষ্ঠান সম্প্ৰচাৰ কৰে আৰু প্ৰতিটো ভাগৰে জনসংখ্যা প্ৰায় এক কোটি হ'ব। এতিয়া এই দুটা কেন্দ্ৰৰ পৰা প্ৰচাৰিত মনোৰঞ্জন বা তথ্যভিত্তিক অনুষ্ঠানসমূহ এই বৃহৎ জনসংখ্যাৰ বাবে যথেষ্ট নে? নিশ্চয় নহয়।

সমপৰ্যায়ৰ পৰিস্থিতিৰ সৃষ্টি হয় যেতিয়া এশ বা দুশ ছাত্ৰ-ছাত্ৰীৰে এটা শ্ৰেণীকোঠা ভৰি থাকে। ইয়াৰ পৰিৱৰ্তে এটা শ্ৰেণীকোঠাত যদি ২০ বা ৩০ গৰাকী শিক্ষাৰ্থী থাকে, তেতিয়া শিক্ষকে প্ৰত্যেককে ব্যক্তিগত মনোযোগ দিব পাৰে।

আনহাতে নেৰ'কাষ্টিঙৰ ধাৰণাটোত গণ মাধ্যমক সৰু সৰু ভাগত ভগোৱা হয় যাতে অধিক জনতাৰ মাজলৈ ইয়াক বিস্তাৰিত কৰিব পাৰি।

এই ব্যৱস্থাত বৃহৎ এককসমূহক সৰু ষ্টেশ্যনলৈ ভাগ কৰি অধিক বিস্তাৰিত কৰিবলৈ প্ৰয়াস কৰা হয়। ইয়াৰ দ্বাৰা সৰু সৰু জনগোষ্ঠীসমূহক নিজৰ প্ৰয়োজন পূৰণৰ উদ্দেশ্য গণ মাধ্যমক অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰা বাবে সমৰ্থ কৰা হয়।

এই ধৰণৰ বিকাশৰ এক সুন্দৰ উদাহৰণ হৈছে কমিউনিটি ৰেডিঅ'ৰ ধাৰণা। আচৰিতভাৱে ভাৰতত কমিউনিটি ৰেডিঅ' যদিও এক বিকশিত স্তৰত থকা নাই, তথাপিও ইয়াৰ আৰম্ভণি হৈছিল ১৯৫১ চনত দেশৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়তে। ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা আগশাৰীৰ শিক্ষাবিদ প্ৰফেছাৰ ডি এন ৰাজাচেখৰন পিল্লাইয়ে অলপতে কমিউনিটি ৰেডিঅ' সম্পৰ্কীয় এখন সভাত এনেদৰে কয়, 'কমিউনিটি ৰেডিঅ' হৈছে তৃণমূল পৰ্যায়ত তথ্য সম্প্ৰচাৰ কৰিবলৈ ব্যৱহৃত এক আধুনিক ব্যৱস্থা। 'ইগনউ'ৰ যি বিস্তৃত উদ্দেশ্য সেই জনগণৰ জীৱন-ধাৰণ প্ৰণালী উন্নত কৰাৰ প্ৰয়াসৰ সৈতে কমিউনিটি ৰেডিঅ'ৰ ধাৰণা সম্পূৰ্ণৰূপে খাপ খাই পৰে। কমিউনিটি ৰেডিঅ'ই যে কেৱল উন্নয়নশীল দেশসমূহকে উন্নতিৰ ক্ষেত্ৰত সহায় কৰিব তেনে নহয়, বৰঞ্চ উন্নত দেশসমূহত থকা পিছপৰা লোকসকলৰো

উন্নতিত ই প্ৰভূত অৰিহণা যোগায়।

ভাৰতৰ ভূতপূৰ্ব মুখ্য তথ্য আয়ুক্ত (কেন্দ্ৰীয় তথ্য আয়োগ) ড° অ'. পি. কেজাৰীৰালৰ মতে, 'আমি যদিও গোলোকীকৰণৰ বিষয়ে আলোচনা কৰি থাকো, প্ৰকৃততে আমাৰ চিন্তা বিশ্বজনীন হ'ব লাগে আৰু কাৰ্য স্থানীয় কল্যাণৰ আধাৰত সম্পাদিত হ'ব লাগে (Think globally, act locally) অৰ্থাৎ গ্ল'বেলাইজেশ্বন (Globalisation) ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা উচিত। সেয়েহে সম্প্ৰচাৰৰ লগতে আমাক নেৰ'কাষ্টিঙৰো প্ৰয়োজন। স্থানীয় অনুষ্ঠান সম্প্ৰচাৰৰ বাবে আমি আধুনিক প্ৰযুক্তি প্ৰয়োগ কৰিছো, আমাৰ কমিউনিটি ৰেডিঅ' আছে, য'ত জনগণে কেৱল সম্প্ৰচাৰকৰূপে নহয়, শ্ৰোতা হিচাপেও অংশগ্ৰহণ কৰে।'

নতুন দিল্লীস্থিত কমনৱেল্থ এডুকেশ্বনল্ মিডিয়া চেণ্টাৰ ইন্ এছিয়া (চেমকা)ৰ অধ্যক্ষ তথা ভাৰতত কমিউনিটি ৰেডিঅ' আন্দোলনৰ অগ্ৰণী পৃষ্ঠপোষক প্ৰফেছৰ (ড°) আৰ. শ্ৰীধৰে ভাৰতত কমিউনিটি ৰেডিঅ'ৰ বিকাশৰ ক্ষেত্ৰত থকা মূল সমস্যাসমূহ চিনাক্ত কৰিছে। তেওঁৰ মতে, 'কমিউনিটি ৰেডিঅ'ত সজাগতামূলক অনুষ্ঠান প্ৰচাৰৰ মুখ্য অন্তৰায়বোৰ হৈছে গণ মাধ্যম সাক্ষৰতা, উপযুক্ত প্ৰশিক্ষণ আৰু বৃত্তিমুখী মনোভাৱৰ অভাৱ।'

ৱৰ্ল্ড এছ'চিয়েশ্যন অফ্ কমিউনিটি ৰেডিঅ' ব্ৰডাকাষ্টাৰ্চ বা Association Mundial De Radio Communitarias (AMARC)ৰ দক্ষিণ এছিয়াৰ আঞ্চলিক অধ্যক্ষ চুমন বাছনেটৰ মতে, 'দক্ষিণ এছিয়াৰ ভিতৰত ভাৰতেই হৈছে স্বাধীন কমিউনিটি ৰেডিঅ' নীতি থকা প্ৰথমখন দেশ। এই সম্প্ৰচাৰত আৰু অনেক অভিভূত কৰব পৰা ঘটনা হ'বলৈ বাকী আছে।' AMARDCয়ে মুঠ ১১৫খন দেশত থকা ৪,০০০তকৈও অধিক কমিউনিটি ৰেডিঅ'যোগে সমগ্ৰ বিশ্বতে এই ব্যৱস্থা প্ৰণয়নৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে।

ইমানবোৰ ধনাত্মক দিশ থকাৰ পিছতো ২০০২ চনতেই কমিউনিটি ৰেডিঅ'ৰ চৰকাৰী নীতি অনুসৰি স্থাপন কৰিবলগীয়া চাৰি হাজাৰতকৈও অধিক ষ্টেশ্যনৰ ভিতৰত বৰ্তমান ভাৰতত কেৱল ৪৫টা ষ্টেশ্যনহে স্থাপন কৰা হৈছে আৰু সেইবোৰ বেছিভাগেই ব্যক্তিগত খণ্ডৰ। মাত্ৰ ৩৫ বছৰীয়া চুবুৰীয়া দেশ বাংলাদেশত বৰ্তমান ১৪০টা কমিউনিটি ৰেডিঅ' ষ্টেশ্যন আছে। ৱৰ্ল্ড বেংকৰ 'দৰিদ্ৰতা মুক্ত বিশ্ব' নীতি অনুসৰি বাংলাদেশ চৰকাৰে কেৱল ২০০৮ চনতহে এখন চৰকাৰী কমিউনিটি ৰেডিঅ' নীতি গ্ৰহণ কৰিছিল।

এনেধৰণৰ গণ মাধ্যমসমূহ কোনো বহিঃ প্ৰভাৱ অবিহনে নিৰ্দিষ্ট জনসংখ্যাৰ মাজৰ পৰা নিৰ্বাচিত কৰা লোকসকলে পৰিচালনা কৰে। এনেদৰে তেওঁলোকে সেই জনসংখ্যাৰ প্ৰয়োজন অনুসৰি তেওঁলোকৰ সৰ্বাত্মক বিকাশৰ উদ্দেশ্যে অনুষ্ঠান সম্প্ৰচাৰ কৰিব পাৰে।

একেদৰে আমাৰ দেশৰ নীতি নিৰ্দেশকসকলে অৰ্থনৈতিক উন্নয়নৰ বাবে এক

নৱ পদক্ষেপ লৈছে। এই অনুসৰি নীতি নির্মাণ আৰু কার্যকৰীকৰণ পদ্ধতি তৃণমূল পর্যায়লৈ নিয়া হৈছে। এনেদৰে অধিক সংখ্যক লোকলৈ সুস্থিৰভাৱে সমগ্র প্রক্রিয়াটো বিস্তাৰিত হ'ব বুলি আশা কৰিব পাৰি। ইয়াৰ ফলত জনগণৰ মাজত গণতান্ত্রিক বিকেন্দ্রীকৰণ প্রথা অতি জনপ্রিয় হৈ পৰিব।

কমিউনিটি ৰেডিঅ' কেৱল সমূহীয়া সম্প্রচাৰেই নহয়, বৰঞ্চ ই হৈছে তৃণমূল পর্যায়ত তথ্য বিস্তাৰৰ এক নৱতম ব্যৱস্থা। ইয়াত ভাৰতৰ পুৰণি মৌখিক শিক্ষাৰ পদ্ধতি ব্যৱহাৰ কৰি FM ব্যৱস্থাৰে কৰি আধুনিক প্রযুক্তিৰ সৈতে সংযুক্ত কৰা হয়। দৰাচলতে এখন মুক্ত বিশ্ববিদ্যালয়ৰ সৈতে কমিউনিটি ৰেডিঅ'ৰ উদ্দেশ্যগত সামঞ্জস্য আছে— দুয়োটাতে শ্রেণীকোঠা অবিহনে আৰু সময়ৰ নির্দিষ্ট বান্ধোন নোহোৱাকৈ শিক্ষা প্রদান কৰা। সম্প্রচাৰৰ সৰু ক্ষেত্র হোৱা বাবে ইয়াৰ শ্রোতাসকলে পৰিচালকসকলক চিনি পায় আৰু এক আপোনভাৱ গঢ় লৈ উঠে। বেছিভাগ শ্রোতাই কোনো এজন ব্যক্তিক তেওঁৰ মাতৰ দ্বাৰা চিনাক্ত কৰিব পৰে।

এই ব্যৱস্থাৰ জৰিয়তে উন্নয়নমূলক নীতিসমূহ ক্ষেত্রভিত্তিকভাৱে প্রয়োজন অনুসৰি কার্যকৰী কৰিব পৰা গৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতৰ উন্নয়নৰ বাবে উন্নয়নমূলক সংযোগৰ প্রয়োজন আছেনে? যদি আছে, কিয়?

.....

.....

প্রশ্ন নং ২ ঃ গণতান্ত্রিক বিকেন্দ্রীকৰণ মানে কি?

.....

.....

প্রশ্ন নং ৩ ঃ নেৰ'কাষ্টিং মানে কি?

.....

.....

৫.৪ পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ

দেশৰ তৃণমূল পর্যায়ৰ জনসংখ্যা অর্থাৎ গাঁও অঞ্চলত বাস কৰা লোকসকলৰ উনয়নৰ বাবে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ স্থাপন কৰা হৈছে। গ্রামাঞ্চলৰ লোকসকলৰ স্ব-উন্নয়নৰ বাবে কার্যকৰী কৰা স্থানীয় স্বায়ত্ত শাসনৰ ই হৈছে এক আদর্শ শ্রেণী।

স্থানীয় স্বায়ত্ত শাসনৰ অর্থ হৈছে জনতাই গণতান্ত্রিকভাৱে নিজৰ প্রতিনিধি নির্বাচন কৰি লোৱা এক ৰাজহুৱা নিকায়। এই নিকায়টোৰ ওপৰত সেই অঞ্চলৰ উন্নয়নমূলক কার্যসমূহ নির্ধাৰণ, প্রস্তুত আৰু শেষত কার্যকৰী কৰাৰ দায়িত্ব থাকে।

এই ব্যৱস্থাটোৱে অপক্ষপাতিত্ব, সম্পদসমূহৰ যথোচিত ব্যৱহাৰ, কোনো অঞ্চলৰ লোকসকলৰ মৌলিক প্রয়োজনসমূহ চিনাক্তকৰণ আৰু আঁচনি, নীতি ইত্যাদিবোৰ যথোচিতভাৱে কার্যকৰী কৰাত সহায় কৰে। এই ব্যৱস্থাটোৰ আন এটা গুৰুত্বপূর্ণ দিশ হৈছে যে ইয়াৰ সদস্যসকল যদি সৎ হয় তেন্তে ব্যৱস্থাটোও স্বচ্ছ হয়। কিয়নো নির্বাচিত প্রতিনিধিসকলৰ সহায়ত স্থানীয় লোকসকলেই পঞ্চায়ত পৰিচালনা কৰে। স্থানীয় লোকসকলে সম্পদসমূহ কেনেদৰে ব্যৱহাৰ কৰা হৈছে আৰু উচিত দিশত ব্যৱহাৰ কৰা হৈছে নে নাই, সেই বিষয়ে অৱগত হৈ থাকিব পাৰে। কোনো সমস্যা বা অভাৱক অতি সোনকালে দূৰ কৰিব পাৰে। আন কথাত ক'বলৈ হ'লে কামসমূহৰ উচিত মূল্যায়ন হয়।

আমাৰ দেশৰ প্রেক্ষাপটত উন্নয়নমূলক সংযোগৰ ক্ষেত্রত পঞ্চায়তীৰাজ ব্যৱস্থাৰ যথেষ্ট গুৰুত্ব আছে, কিয়নো এই নির্বাচিত নিকায়সমূহে নিজস্বভাৱেই সংযোগৰ বার্তা বহন কৰে। স্থানীয় লোকসকলক চৰকাৰৰ নীতি সম্পর্কে সচেতন কৰা আৰু তেওঁলোকক নিজৰ প্রয়োজন, সম্পদৰ উপলব্ধতা আৰু সেইসমূহৰ উচিত ব্যৱহাৰ সম্পর্কে সজাগ কৰাটোৱেই এই নিকায়সমূহৰ প্রকৃত কর্তব্য।

এই নিকায়সমূহ আৰু ইয়াৰ সমস্যাসমূহ হৈছে আদর্শ গণমণৰ উদাহৰণ। এইসমূহে জনসাধাৰণৰ মাজত উন্নয়নমূলক দিশ সম্পর্কে সজাগতাৰ সৃষ্টি কৰে। কিয়নো পঞ্চায়তৰ সদস্যসকলে জনসাধাৰণৰ সৈতে মুখামুখিকৈ কথা পাতিব পাৰে আৰু তেওঁলোকক অধিক সজাগ আৰু কার্যতঃ ৰাষ্ট্রৰ শিক্ষিত নাগৰিকৰূপে গঢ়ি তোলে।

৫.৪.১ পঞ্চায়তীৰাজ ব্যৱস্থাৰ চমু পৰিচয়

বহু যুগৰ আগৰ পৰাই ভাৰতৰ গ্রামাঞ্চলৰ জনসাধাৰণে স্বায়ত্তশাসন ব্যৱস্থাৰে চলি আহিছে। পূর্বতে স্বায়ত্ত শাসনৰ নিকায়সমূহক সভা বোলা হৈছিল আৰু এইসমূহৰ এক উল্লেখযোগ্য কর্তৃত্ব আছিল। ক্রমান্বয়ে এই সভাসমূহে বর্তমানৰ পঞ্চায়তৰ ৰূপ ল'লে। এই পঞ্চায়তসমূহ মূল কর্তৃত্বশীল নিকায় হৈ পৰে আৰু লগতে ন্যায় বিচাৰ তথা স্থানীয় সমস্যাসমূহ সমাধানৰ প্রধান বিচাৰগোষ্ঠী হৈ পৰে। ব্রিটিছ ঔপনিৱেশিক শাসন ব্যৱস্থাই এই গ্রামাঞ্চলৰ গোষ্ঠীসমূহক 'ক্ষুদ্র গণতন্ত্র' বুলি অভিহিত কৰিছিল।

আমাৰ সংবিধানৰ ৪০ নং অনুচ্ছেদমতে, 'ৰাষ্ট্রই গ্রাম পঞ্চায়তসমূহ গঠন কৰিবলৈ পূর্ণ ব্যৱস্থা গ্রহণ কৰিব লাগে, যাতে স্বায়ত্ত শাসনৰ একক হিচাপে কার্য কৰিবলৈ এইসমূহৰ পূর্ণ শক্তি তথা কর্তৃত্ব থাকে।'

১৯৫৭ চনত পঞ্চায়তীৰাজ স্থাপনত এক ঐতিহাসিক পৰিঘটনা ঘটে। Team for the Study of Community Development Projects আৰু বলৱন্ত ৰায় মেহতাৰ নেতৃত্বত National Extension Serviceৰ দ্বাৰা প্রকাশ কৰা প্রতিবেদনত এনেদৰে উল্লেখ কৰা হয় যে, 'ৰাজহুৱা কাম-কাজত ৰাইজৰ অংশগ্রহণ নির্বাচিত প্রতিনিধিৰ নিকায়ৰ দ্বাৰা সুনির্দিষ্ট কৰিব লাগে।'

এই প্রতিবেদন অনুসৰি গ্রাম পর্যায়ত সমস্ত গোষ্ঠীটোক প্রতিনিধিত্ব কৰিব পৰা, দায়িত্ব গ্রহণ কৰিব পৰা আৰু উন্নয়নমূলক কার্যসূচীৰ প্রকৃত ৰূপায়ণৰ বাবে নেতৃত্ব ল'ব পৰা এটা নিকায় অবিহনেগ্রামাঞ্চলৰপ্রকৃতার্থত উন্নয়ন সম্ভৱ নহয়। পৰৱর্তী সময়ত পঞ্চায়তীৰাজ ব্যৱস্থাই যথেষ্ট গুৰুত্ব লাভ কৰে আৰুৰাইজৰ ইচ্ছাসমূহ গ্রাম সভাৰ পৰা লোকসভালৈ গতি কৰে। ১৯৫৯ চনৰ ২ অক্টোবৰ তাৰিখে ৰাজস্থানৰ নাগাউৰত ভূতপূর্ব প্রধানমন্ত্রী জৱাহৱলাল নেহৰুৱে আনুষ্ঠানিকভাৱে পঞ্চায়তীৰাজ ব্যৱস্থা উদ্বোধন কৰে।

১৯৫৯ৰ পৰা ১৯৮০ লৈকে ভাৰতৰ বিভিন্ন প্রান্তত পঞ্চায়তীৰাজ ব্যৱস্থাই যথেষ্ট বিকাশ লাভ কৰে। গুজৰাট, মহাৰাষ্ট্র, কর্ণাটক আৰু পশ্চিমবংগৰ দৰে প্রদেশসমূহত এই ব্যৱস্থা যথেষ্ট গভীৰলৈ শিপাই যায়। কিন্তু দেখা গ'ল যে বেছিভাগ ৰাজ্যতে সময়মতে নির্বাচন অনুষ্ঠিত নকৰাৰ ফলত তৃণমূল পর্যায়ত বহু সময়ত ৰাইজৰ প্রতিনিধিৰ অভাৱ হয়। ইয়াৰোপৰি প্রতিনিধি সংস্থাসমূহকো তৃণমূল পর্যায়ৰ উন্নয়নমূলক কাম-কাজ আৰু স্থানীয় স্বায়ত্তশাসনত ভাগ লোৱা দেখা যোৱা নাছিল।

ভূতপূর্ব প্রধানমন্ত্রী ৰাজীৱ গান্ধীয়ে দেশৰ জনসাধাৰণক এক 'প্রতিনিধিত্বমূলক প্রশাসন' দিয়াৰ আদর্শৰ পোষকতা কৰিছিল। তেওঁ দেখিছিল যে ভাৰতীয় গণতন্ত্র যদিও ওপৰঞ্চিভাৱে এক সবল গণতন্ত্র, ইয়াৰ ভেটি সুদৃঢ় হ'বলৈ এতিয়াও বাকী।

সংসদৰ দুয়োটা সদনৰ আৰু ৰাজ্য বিধানসভাসমূহৰ সকলো সদস্যকে একত্রিত কৰিলেও কেৱল পাঁচ বা ছহাজাৰ লোকে প্রায় ৮০ কোটি ভাৰতীয়ক প্রতিনিধিত্ব কৰিছিল। অৱশেষত ১৯৯২ চনৰ ডিচেম্বৰ মাহত পঞ্চায়তীৰাজ ব্যৱস্থাই সংবিধানৰ ৭৩ সংখ্যক সংশোধনী বিলৰ দ্বাৰা সংবিধানৰ অধ্যাদেশ লাভ কৰে। সংবিধানৰ (৭৩ সংখ্যক সংশোধনী) আইন-১৯৯২, ১৯৯৩ চনৰ ২৪ এপ্রিল তাৰিখে কার্যকৰী কৰা হয়। ৭৩ সংখ্যাক সংশোধনে গাঁও, খণ্ড আৰু জিলা পর্যায়ৰ পঞ্চায়তসমূহৰ বাবে সাংবিধানিক সুবিধা আগবঢ়াইছে। মহিলাসকলৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণ কৰা হৈছে। পিছপৰা শ্রেণী যেনে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী (কিছুমান ৰাজ্যত)ৰ বাবে জনসংখ্যা অনুসৰি আসন সংৰক্ষণ কৰা হয়। ৰাজ্যিক নির্বাচন আয়োগ আৰু ৰাজ্যিক বিত্ত আয়োগ স্থাপন কৰাটো বাধ্যতামূলক কৰা হয়।

সংবিধানৰ ৭৪ সংখ্যক সংশোধন অনুসৰি ২৪৩D অনুচ্ছেদৰ দ্বাৰা জিলা পৰিকল্পনা কমিটী গঠন কৰাৰো প্ৰস্তাৱ আগবঢ়োৱা হয়। ৭৩ সংখ্যক সংশোধন মুঠ ২৪খন ৰাজ্য আৰু পাঁচখন কেন্দ্ৰীয় শাসিত অঞ্চলত প্ৰযোজ্য হয়।

বৰ্তমান বেছিভাগ ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলত তিনি খলপীয়া নিৰ্বাচন অনুষ্ঠিত হোৱাৰ ফলত পঞ্চায়তৰ তিনিটা পৰ্যায়ত ২৮ লাখতকৈয়ো অধিক প্ৰতিনিধি থাকে। এওঁলোকৰ ভিতৰত ১০ লাখতকৈ অধিক মহিলা, ৫.২ লাখ অনুসূচীত জাতি আৰু ৩.৩ লাখ অনুসূচীত জনজাতিৰ লোক।

যোৱা পোন্ধৰ বছৰে গ্ৰামাঞ্চলসমূহত এক নীৰৱ বিপ্লৱ চলি আছে। কিয়নো মহিলা আৰু পিচপৰা শ্ৰেণী লোকসকলে ৰাজনৈতিক প্ৰতিনিধিত্ব পোৱাৰ বাবে তেওঁলোকৰ সবলীকৰণ হোৱাৰ লগতে তেওঁলোকৰ সামাজিক আৰু আৰ্থিক অৱস্থাৰ যথেষ্ট উন্নতি সাধন হৈছে।

২০০৪ চনৰ মে' মাহত কেন্দ্ৰীয় চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত এক পৃথক পঞ্চায়তীৰাজ মন্ত্ৰণালয় স্থাপন কৰিবলৈ সিদ্ধান্ত লয়। ইয়াৰ মূল উদ্দেশ্য আছিল পঞ্চায়তীৰাজ ব্যৱস্থাৰ সাংবিধানিক অধিদেশ কাৰ্যকৰী কৰিবলৈ এককেন্দ্ৰীভূত আৰু উৎসৰ্গীত মনোভাবেৰে কাম কৰা। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত আলোচনাৰ জৰিয়তে পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিস্তৃত আঁচনি প্ৰস্তুত কৰিবলৈ এক ৰাষ্ট্ৰীয় সহমত গঠন কৰিবলৈ সিদ্ধান্ত লোৱা হয়। পঞ্চায়তীৰাজ মন্ত্ৰণালয়ে সাতখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰে য'ত পঞ্চায়তীৰাজৰ ৰাজ্য মন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

২৩ জুলাই ২০০৪ৰ পৰা ১৯ ডিচেম্বৰ ২০০৪ লৈ, ১৫০ দিনৰ ভিতৰত পঞ্চায়তীৰাজ ব্যৱস্থাৰ তিনিটা এফ (F)– functions (কাৰ্য), finance (বিত্ত) আৰু functionaries (বিষয়া, কৰ্মচাৰী)ৰ পৰা আৰম্ভ কৰি জিলা পৰিকল্পনা, প্ৰশিক্ষণ, সামৰ্থ্য গঠন আৰু তথ্য প্ৰযুক্তিৰে চলোৱা ই-প্ৰশাসন (e-governance) লৈকে ১৮টা বিষয় আলোচনা কৰা হৈছিল। সমূহ আলোচনাচক্ৰৰ সমাপ্তি ঘটাৰ পাছত পঞ্চায়তীৰাজ মন্ত্ৰীসকলে উমৈহতীয়াভাৱে ১৫০টা কাৰ্যগ্ৰহণ কৰে। এই কাৰ্যসমূহৰ ভিতৰত বিস্তৃত কাৰ্য নিৰ্ধাৰণ (Activity Mapping), ৰাজ্যিক বাজেটত পঞ্চায়ত ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰা ইত্যাদিয়ে মুখ্য আছিল। ইয়াৰ লগতে কাৰ্য আৰু বিত্তৰ ওপৰত ভিত্তি কৰি বিষয়া নিযুক্ত কৰা হৈছিল।

স্থানীয় স্বায়ত্ত শাসন হৈছে এক ৰাজ্যসূচীৰ অন্তৰ্ভুক্ত বিষয়। সংবিধানৰ ৭৩ সংখ্যক সংশোধন অনুসৰি প্ৰতিখন ৰাজ্যৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থাৰ তিনি খলপীয়া নিৰ্বাচন অনুষ্ঠিত কৰাটো বাধ্যতামূলক। এই ব্যৱস্থাই কেন্দ্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সাংবিধানিক যুক্তৰাষ্ট্ৰীয় চৰিত্ৰ ৰূপায়ণৰ দায়িত্ব তৃণমূল পৰ্যায়ত গ্ৰহণ কৰিছে। কাৰ্যকৰী পৰ্যায়ত একাদশ অনুসূচীত পঞ্চায়তলৈ হস্তান্তৰিত হ'বলগীয়া বিভিন্ন বিষয়, যেনে প্ৰাথমিক শিক্ষা, জনস্বাস্থ্য, খোৱাপানী, অনাময় ব্যৱস্থা ইত্যাদিবোৰৰ সম্পদসমূহ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ জৰিয়তে ৰাজ্য চৰকাৰে লাভ কৰে।

২.৪.২ মূল উদ্দেশ্য

পঞ্চায়তীৰাজ ব্যৱস্থাৰ মূল উদ্দেশ্যসমূহৰ ভিতৰত অন্যতম হৈছে দেশৰ উন্নয়নৰ বাবে যুগুত কৰা আঁচনিসমূহ যাতে তৃণমূল পর্যায়ৰ বাবে উদ্দেশ্য কৰি প্রস্তুত কৰা হয়, সেয়া নিশ্চিত কৰা। ইয়াৰ মূল নীতি হৈছে জনসাধাৰণৰ সহযোগিতাত নির্মাণ কৰি উলিওৱা গাঁও পঞ্চায়তৰ আঁচনিৰ সৈতে মধ্যৱর্তী আৰু জিলা পঞ্চায়তৰ আঁচনিসমূহ একত্রিত কৰা একেদৰে নগৰ পালিকাই জিলা পৰিকল্পনা কমিটিৰ সৈতে আলোচনামর্মে জিলা উন্নয়ন আঁচনিৰ খচৰা প্রস্তুত কৰে। এই পর্যন্ত দেশৰ ১৮খন ৰাজ্যত জিলা পৰিকল্পনা কমিটি স্থাপন কৰা হৈছে আৰু সংবিধানৰ একাদশ অংশৰ অধীনত বাকী ৰাজ্যসমূহতো এনে কমিটি স্থাপনৰ যো-জা চলিছে।

তৃণমূল পর্যায়ৰ পৰিকল্পনা প্রক্রিয়াক দিক্ দর্শন দিবলৈ শ্রীভি. ৰামাচন্দ্রনৰ অধ্যক্ষতাত এক বিশেষজ্ঞ গোট স্থাপন কৰা হয়। এই গোটে আগবঢ়োৱা পৰামর্শসমূহ পঞ্চায়তীৰাজ মন্ত্রণালয় আৰু পৰিকল্পনা আয়োগে জিলা পৰিকল্পনা যুগুত কৰিবলৈ গ্রহণ কৰিছে। ৰাষ্ট্রীয় উন্নয়ন নিগমে যুগুত কৰা একাদশ পৰিকল্পনাৰ দস্তাবেজত বিকেন্দ্রীকৰণ আৰু তৃণমূল পর্যায়ৰ পৰা কৰা পৰিকল্পনাক অগ্রাধিকাৰ দিয়া হৈছে। এই পৰিকল্পনা দস্তাবেজত পঞ্চায়তসমূহে পৰিকল্পনা আৰু উন্নয়নৰ প্রক্রিয়াতপালন কৰিবলগীয়া কেন্দ্রীয় ভূমিকাৰ বিষয়ো উল্লেখ কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ পঞ্চায়তীৰাজৰ অর্থ কি?

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ আমাৰ দেশত উন্নয়নমূলক সংযোগৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থাৰ গুৰুত্ব আছে বুলি আপুনি কিয় ভাবে?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক—

ক) Team for the study of .....ৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদনত এনেদৰে উল্লেখ কৰা হয় যে 'ৰাজহুৱা কাম-কাজত ৰাইজৰ অংশগ্ৰহণ নিৰ্বাচিত প্ৰতিনিধিৰ নিকায়ৰ দ্বাৰা সুনিৰ্দিষ্ট কৰিব লাগে।'

খ) ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ..... দেশৰ জনসাধাৰণক এক 'প্ৰতিনিধিত্বমূলক প্ৰশাসন' দিয়াৰ আদৰ্শৰ পোষকতা কৰিছিল।

গ) ..... সংশোধনৰ দ্বাৰা সংবিধানত গাঁও, খণ্ড আৰু জিলা পৰ্যায়ত পঞ্চায়ত গঠনৰ বিষয়টো অন্তৰ্ভুক্ত কৰা হয়।

ঘ) পঞ্চায়তীৰাজ ব্যৱস্থাৰ মূল উদ্দেশ্যসমূহৰ ভিতৰত অন্যতম হৈছে দেশৰ উন্নয়নৰ বাবে যুগুত কৰা আঁচনিসমূহ যাতে ..... বাবে উদ্দেশ্য কৰি প্ৰস্তুত কৰা হয়, সেয়া নিশ্চিত কৰা।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ জনসংখ্যা চীনৰ পাছতেই দ্বিতীয় স্থানত হোৱা বাবে আৰু ই উন্নয়নশীল প্ৰকৃতিৰ হোৱাত ভাৰতীয় প্ৰেক্ষাপটত উন্নয়নমূলক সংযোগ অতি গুৰুত্বপূৰ্ণ।
- তৃণমূল পৰ্যায়ৰ লোকসকলৰ যাতে নিজাকৈ উন্নতি হ'ব পাৰে তাৰে ব্যৱস্থা কৰিবলৈ 'গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ' প্ৰক্ৰিয়াৰ দ্বাৰা বহু বছৰৰ পৰাই উদ্দেশ্যমূলক অথচ সাধাৰণ আঁচনি প্ৰৱৰ্তন কৰি থকা হৈছে।
- ব্ৰডকাষ্টিঙৰ আনুষ্ঠানিক অৰ্থ হৈছে অধিকসংখ্যক মানুহলৈ ইলেক্ট্ৰনিক তৰংগৰ জৰিয়তে তথ্য যোগান ধৰা। অৰ্থাৎ ইলেক্ট্ৰনিক মাধ্যমৰ নেটৱৰ্কটো যিমানদূৰ সম্ভৱ সিমান বেছিসংখ্যক লোকৰ ওচৰলৈ লৈ যোৱা।
- আনহাতে নেৰ'কাষ্টিঙৰ ধাৰণাটো হৈছে ইয়াৰ সম্পূৰ্ণ বিপৰীত। এই ব্যৱস্থাত গণমাধ্যমক সৰু সৰু ভাগত ভগোৱা হয় যাতে অধিক জনতাৰ মাজলৈ ইয়াক বিস্তাৰিত কৰিব পাৰি।
- এইধৰণৰ বিকাশৰ এক সুন্দৰ উদাহৰণ হৈছে কমিউনিষ্ট ৰেডিঅ'ৰ ধাৰণা।
- পঞ্চায়তীৰাজ হৈছে দেশৰ তৃণমূল পৰ্যায়ৰ জনসংখ্যা অৰ্থাৎ গাঁও অঞ্চলত বাস কৰা লোকসকলৰ উন্নয়নৰ বাবে স্থাপন কৰা অনুষ্ঠান। গ্ৰামাঞ্চলৰ লোকসকলৰ স্ব-উন্নয়নৰ বাবে কাৰ্যকৰী কৰা স্থানীয় স্বায়ত্ত শাসনৰ ই হৈছে এক আদৰ্শ শ্ৰেণী।
- ১৯৫৭ চনত পঞ্চায়তীৰাজ স্থাপনত ঐতিহাসিক পৰিঘটনা হৈছে টিম ফৰ দ্যা ষ্টাডি ফৰ কমিউনিটি ডেভেলপমেণ্ট প্ৰ'জেক্টচ (Team for the study for Community

Development Projects) আৰু বলৰন্ত ৰায় মেহতাৰ নেতৃত্বত নেচনেল এক্সটেনচন ছার্ভিচ (National Extention Service)ৰ দ্বাৰা প্ৰকাশ কৰা প্ৰতিবেদন।

- ১৯৫৯ চনৰ পৰা ১৯৮০ চনলৈকে ভাৰতৰ বিভিন্ন প্ৰান্তত পঞ্চায়তীৰাজ ব্যৱস্থাই যথেষ্ট বিকাশ লাভ কৰে। গুজৰাট, মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু পশ্চিমবংগৰ দৰে প্ৰদেশসমূহত এই ব্যৱস্থা যথেষ্ট দূৰলৈ শিপায়।
- ১৯৯২ চনৰ ডিচেম্বৰ মাহত পঞ্চায়তীৰাজ ব্যৱস্থাই সংবিধানৰ ৭৩ সংখ্যক সংশোধনী বিলৰ দ্বাৰা সংবিধানৰ অধ্যাদেশ লাভ কৰে।
- বৰ্তমান বেছিভাগ ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলত তিনি খলপীয়া নিৰ্বাচন অনুষ্ঠিত হোৱাৰ ফলত পঞ্চায়তৰ তিনিটা পৰ্যায়ত ২৮ লাখতকৈয়ো অধিক প্ৰতিনিধি থাকে। এওঁলোকৰ ভিতৰত ১০ লাখতকৈ অধিক মহিলা, ৫.২ লাখ অনুসূচীত জাতি আৰু ৩.৩ লাখ অনুসূচীত জনজাতিৰ লোক।
- পঞ্চায়তীৰাজ ব্যৱস্থাৰ মূল উদ্দেশ্যসমূহৰ ভিতৰত অন্যতম হৈছে দেশৰ উন্নয়নৰ বাবে যুগুত কৰা আঁচনিসমূহ যাতে তৃণমূল পৰ্যায়ৰ বাবে উদ্দেশ্য কৰি প্ৰস্তুত কৰা হয়, সেয়া নিশ্চিত কৰা।



৫.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Gupta and Aggarwal (1996), *Media Policy and Nation Building– Select Issues and Themes*, Concept Publishers, New Delhi.
2) Joshi, Uma (1997), *A Strategy for Environment Education– Vital for Sustainable Development. Proceedings of National Conference on Dimensions of Environmental Stress in India,* Geology Dept., MS University, Baroda.
3) Schramm, Wilbur (1964), *The Role of Information in National Development,* Stanford University Press.
4) Servaes, Jacobson, White (Edited 1996), *Participatory Communication for Social Change,* Sage Publications, New Delhi.
5) Singhal, Doshi, Rogers and Rahman (1989), *The Diffusion of Television in India,* Vidura– May-June issue, Page 222-228.

৫.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ হয়, ভাৰতৰ উন্নয়নৰ বাবে উন্নয়নমূলক সংযোগৰ প্রয়োজন আছে। আমাৰ দেশৰ এক বুজনসংখ্যক জনসংখ্যা স্বাক্ষৰ হ'ব পৰা নাই আৰু অভাৱগ্রস্ততাৰ মাজত কালাতিপাত কৰি আছে। এই জনসংখ্যাৰ অংশটোৱে গ্রামাঞ্চলত বসতি কৰি আছে আৰু কৃষিয়েই হৈছে তেওঁলোকৰ জীৱিকাৰ ঘাই সম্বল। কিন্তু আমি এইটো কথাও জানো যে দেশখনৰ উন্নয়ন প্রক্রিয়া সাফল্যমণ্ডিত কৰিবলৈ সমূহ ৰাইজক সেই উন্নয়ন প্রক্রিয়াৰ লগত যুক্ত কৰিব লাগিব আৰু তেওঁলোকক বিকাশৰ পথত আগবঢ়াই নিব লাগিব। এই লক্ষ্যত উপনীত হ'বলৈ হ'লে আমি সমাজৰ প্রত্যেকগৰাকী ব্যক্তিক সাক্ষৰ আৰু সচেতন নাগৰিকৰূপে গঢ় দিব লাগিব। গতিকে এই অনগ্রসৰ জনসংখ্যাৰ গোটটোক উন্নয়নৰ ক্ষেত্রত সমান অংশীদাৰ কৰিবলৈ হ'লে তেওঁলোকৰ মাজত উন্নয়নমূলক সংযোগৰ প্রসাৰ আৰু প্রচলন কৰিব লাগে।

২নং প্রশ্নৰ উত্তৰ ঃ তৃণমূল পর্যায়ৰ লোকসকলে যাতে নিজাকৈ উন্নতি কৰিব পাৰে তাৰে ব্যৱস্থা কৰিবলৈ গণতান্ত্রিক বিকেন্দ্রীকৰণ ব্যৱস্থা গ্রহণ কৰা হৈছে। এই ব্যৱস্থাত গণতান্ত্রিকভাৱে নির্বাচিত হোৱা লোকৰ গোটে ৰাজনৈতিক ক্ষমতাৰ প্রয়োগেৰে উন্নয়নমূলক কার্যসূচীসমূহ ব্যৱহাৰিক ক্ষেত্রত কার্যকৰী কৰে। ৰাষ্ট্রৰ আন্তঃগাঁথনিৰ বিকাশৰ বাবে চৰকাৰে বিভিন্ন আঁচনি প্রস্তুত কৰি উলিয়াইছে। এই নির্বাচিত গোটসমূহে এই আঁচনিসমূহ সেই সেই ক্ষেত্রত কার্যকৰী কৰিবলৈ প্রয়াস কৰে। এই আঁচনিসমূহৰ সুবিধা এয়ে যে ইয়াত স্থানীয় জনসাধাৰণকো সাঙুৰি ল'ব পাৰি। ফলত বিকাশমূলক পদক্ষেপত স্বচ্ছতা, নিৰপেক্ষতা, অগ্রাধিকাৰ ভিত্তিত গ্রহণ কৰিবলগীয়া উন্নয়নমূলক পদক্ষেপসমূহে বিকাশৰ গতি খৰতকীয়া কৰে। কেন্দ্রীয় প্রশাসনৰ অধীনত এনে পদক্ষেপসমূহ সম্ভৱপৰ নহয়।

৩নং প্রশ্নৰ উত্তৰ ঃ নেৰ'কাষ্টিং ব্যৱস্থা গণ মাধ্যমক সৰু সৰু ভাগত ভগোৱা হয় যাতে অধিক জনতাৰ মাজলৈ ইয়াক বিস্তাৰিত কৰিব পাৰি।

৪নং প্রশ্নৰ উত্তৰ ঃ পঞ্চায়তীৰাজ হৈছে এলানি প্রতিষ্ঠানৰ শৃংখলা যাৰ উদ্দেশ্য হ'ল তৃণমূল পর্যায়ত দেশৰ গ্রামাঞ্চলত বসবাস কৰা জনসাধাৰণৰ উন্নয়ন। এইটো স্থানীয় স্বায়ত্ত শাসনৰ এটা আদর্শ শ্রেণী য'ত জনসাধাৰণৰ আত্ম উন্নয়ন (Self-development)ৰ প্রসংগটোৱে অগ্রাধিকাৰ লাভ কৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ আমাৰ দেশত উন্নয়নমূলক সংযোগৰ আশানুৰূপ প্রসাৰৰ ক্ষেত্র পঞ্চায়তীৰাজ ব্যৱস্থাৰ গুৰুত্ব অপৰিসীম। ইয়াৰ কাৰণ এয়ে যে এই নির্বাচিত গোটসমূহেই উন্নয়নৰ বাতৰিৰ বাহকস্বৰূপ। চৰকাৰে গ্রহণ কৰা উন্নয়নমূলক পদক্ষেপসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলাত পঞ্চায়তীৰাজ ব্যৱস্থাই অগ্রণী ভূমিকা গ্রহণ কৰিব

পাৰে। এই গোটসমূহে জনসাধাৰণক তেওঁলোকৰ প্ৰয়োজনীয়তাসমূহ, সম্পদৰ সুলভতা কিমান আৰু সম্পদৰ যথোপযুক্ত প্ৰয়োগৰ ওপৰত প্ৰয়োজনীয় জ্ঞান প্ৰদান কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) Community Development Projects আৰু বলৱন্ত ৰায় মেহতাৰ নেতৃত্বত National Extension Service,

খ) ৰাজীৱ গান্ধী, গ) ৭৩তম, ঘ) বটম-আপ (Bottom-up)।



৫.৮ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০টা শব্দত উত্তৰ দিয়ক)

১) নেৰ'কাষ্টিং আৰু ব্ৰডকাষ্টিঙৰ মাজৰ পাৰ্থক্য কি?

২) বাংলাদেশৰ চৰকাৰে কেতিয়া আনুষ্ঠানিকভাবে কমিউনিটী ৰেডিঅ'ৰ নীতি গ্ৰহণ কৰিছিল?

খ) চমু প্ৰশ্ন (প্ৰায় ১৫০টা শব্দত উত্তৰ দিয়ক)

১) গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ যিকোনো দুটা সুবিধা লিখক।

২) স্থানীয় সায়ত্ব শাসন মানে কি বুজে?

৩) "কমিউনিটি ৰেডিঅ' কেৱল অংশগ্ৰহণকাৰী ব্ৰডকাষ্টিং নহয়, বৰঞ্চ ই তৃণমূল পৰ্যায়ত তথ্য সম্প্ৰচাৰৰ এটা নতুন মাধ্যম " ব্যাখ্যা কৰক।

গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০শব্দত উত্তৰ দিয়ক)

১) ভাৰতৰ দৰে দেশ এখনৰ বাবে উন্নয়ন গণসংযোগ কিদৰে তাৎপৰ্যপূৰ্ণ ?

২) ভাৰতীয় পটভূমিত উন্নয়নৰ বাহক হিচাপে পঞ্চায়তীৰাজ ব্যৱস্থাৰ তাৎপৰ্য বৰ্ণনা কৰক।

৩) নেৰ'কাষ্টিঙৰ ধাৰণাটোৰ পৰা সমাজৰ কেনেকৈ হিত সাধন হ'ব পাৰে ব্যাখ্যা কৰক।

৪) বৃহৎ গণ সংযোগ ব্যৱস্থাসমূহৰদ্বাৰা জনতাৰ উন্নয়ন সম্ভৱপৰ হয়নে? আপোনাৰ যুক্তি আগবঢ়াওক।

*** ***** ***